# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-07-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

---------------------

১। উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত আজি তৃতীয় দিনাও উচ্ছেদ অভিযান।

২। অসম, অৰুণাচল প্ৰদেশ, নাগালেণ্ড আৰু মিজোৰামৰ আন্তঃৰাজ্যিক সীমান্তৰ বনাঞ্চল দখলমুক্ত কৰিবলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ।

৩। ৰাজ্য চৰকাৰৰ ধবজা বাহী আঁচনি নিযুত মইনাৰ দ্বিতীয় পৰ্যায় অহা ৬ আগষ্টত শুভাৰম্ভ

৪। অসম চৰকাৰৰ সহযোগত যোৰহাট কৃষি বিশ্ববিদ্যালয়ৰ উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথমটো জিন বেংক প্ৰতিষ্ঠা।
*আৰু*

৫। অ’ভেলত আজি ভাৰত আৰু ইংলেণ্ডৰ মাজৰ চলিত টেষ্ট শৃংখলাৰ পঞ্চম তথা অন্তিমখন টেষ্ট।

000000

অসম-নাগালেণ্ড সীমান্তৰ উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত বন বিভাগ আৰু প্ৰশাসনে আজি তৃতীয় দিনাও উচ্ছেদ অভিযান চলোৱাৰ বাবে সাজু হৈছে। প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰা মতে আজি অঞ্চলটোৰ ২ নম্বৰ দয়ালপুৰ, ৩ নম্বৰ দয়ালপুৰ, ৩ নম্বৰ দলনিপথাৰ, খেৰবাৰী আৰু আনন্দপুৰ গাঁৱত উচ্ছেদ চলোৱা হ’ব। কালি ১ আৰু ২ নম্বৰ পিঠাঘাটৰ ২০০ টা বাসগৃহ উচ্ছেদ কৰা হয়। ৰাজ্যৰ প্ৰধান মুখ্য বন সংৰক্ষক এম কে যাদৱৰ নেতৃত্বত সম্পন্ন হোৱা এই অভিযানত জিলা আয়ুক্ত, গোলাঘাটৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক আৰু অন্যান্য শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। কেইবাটাও পৰ্যায়ত চলিবলগীয়া এই অভিযানত দুহেজাৰ ৬০০ৰো অধিক পৰিয়ালক উচ্ছেদ কৰাৰ লগতে প্ৰায় ১১ হাজাৰ বিঘা ভূমি দখলমুক্ত কৰাৰ লক্ষ্য লোৱা হৈছে। উৰিয়ামঘাটৰ এই উচ্ছেদ অভিযান সন্দৰ্ভত এয়া গোলাঘাটৰ পৰা আমাৰ সংবাদদাতা হিৰণ্য গগৈ –

ভইচ

ইপিনে গুৱাহাটী উচ্চ ন্যায়ালয়ে উৰিয়ামঘাটত উচ্চেদিত অঞ্চলৰ ৭৩টা পৰিয়াললৈ সকাহ দি সংশ্লিষ্ট অঞ্চলত ৭ আগষ্ট পৰ্যন্ত উচ্ছেদ অভিযান নচলাবলৈ নিৰ্দেশ দিছে। এই অভিযান সন্দৰ্ভত ৭৫ জন লোকে দাখিল কৰা আবেদনৰ শুনানি গ্ৰহণ কৰি আদালতে এই নিৰ্দেশ প্ৰদান কৰে। ন্যায়ালয়ে লগতে বিষয়টো সন্দৰ্ভত ৰাজ্য চৰকাৰৰ পৰা মতামত বিচাৰে।

000000

গুৱাহাটী উচ্চ ন্যায়ালয়ে অসমৰ লগতে অৰুণাচল প্ৰদেশ, নাগালেণ্ড আৰু মিজোৰামৰ আন্তঃৰাজ্যিক সীমান্ত অঞ্চলৰ বনাঞ্চল অবৈধ দখলমুক্ত কৰিবলৈ নিৰ্দেশ দিছে। এই সন্দৰ্ভত ৰাজ্যকেইখনত এখন উচ্চ পৰ্যায়ৰ সমিতি গঠন কৰিবলৈও ন্যায়ালয়ে নিৰ্দেশ দিয়ে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰ আৰু অৰুণ দেৱ চৌধুৰীৰ খণ্ড বিচাৰপীয়ে বনাঞ্চলত চলি থকা অবৈধ দখল ৰোধ সন্দৰ্ভত দাখিল হোৱা এখন জনস্বাৰ্থ জড়িত আবেদনৰ শুনানি গ্ৰহণ কৰি এই নিৰ্দেশ দিয়ে। বিচাৰপীঠখনে বনাঞ্চলসমূহ

দখলমুক্ত কৰাৰ বাবে বিস্তৃত পৰিকল্পনা যুগুত কৰিবলৈ প্ৰতিখন ৰাজ্যৰ মুখ্য সচিব আৰু বন বিভাগৰ মুৰববীসকলক নিৰ্দেশ দিয়াৰ লগতে এই সন্দৰ্ভত উচ্চ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত কৰাৰো পৰামৰ্শ দিয়ে। এই শুনানিৰ সময়ত ৰাজ্য চৰকাৰৰ মহাধিবক্তাই বনভূমি দখলমুক্ত কৰাৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ বিষয়ে প্ৰকাশ কৰে। চাৰিওখন ৰাজ্যই এই সন্দৰ্ভত উচ্চস্তৰীয় কমিটী গঠন কৰিবলৈও সন্মতি প্ৰকাশ কৰিছে। আদালতে অসম, অৰুণাচল আৰু মেঘালয় চৰকাৰে সীমাবিবাদ নিষ্পত্তিৰ বাবে গ্ৰহণ কৰা প্ৰচেষ্টাৰ শলাগ লৈ এই বিবাদ নিষ্পত্তিৰ সৈতে বনাঞ্চল দখলৰ বিষয়টো একাকাৰ নকৰিবলৈও পৰামৰ্শ দিয়ে। বিষয়টো সন্দৰ্ভত অহা ৪ নৱেম্বৰত পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য কৰা হৈছে।

000000

ৰাজ্য চৰকাৰৰ ধবজা বাহী আঁচনি নিযুত মইনাৰ দ্বিতীয় পৰ্যায় অহা ৬ আগষ্টত শুভাৰম্ভ কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই আঁচনি ৰূপায়ণ সন্দৰ্ভত কালি ভিডিঅ' কনফাৰেঞ্চিঙৰ জৰিয়তে এখন বৈঠকত মন্ত্ৰী-বিধায়ক, জিলা আয়ুক্ত, শিক্ষানুষ্ঠানৰ অধ্যক্ষ আৰু শিক্ষা বিভাগৰ বিষয়াসকলৰ সৈতে আলোচনা কৰে। উচ্চতৰ মাধ্যমিক, স্নাতক, স্নাতকোত্তৰ আৰু সংহত শিক্ষক প্ৰশিক্ষণ কাৰ্যসূচী তথা বি এড পাঠ্যক্ৰম গ্ৰহণৰ বাবে যোগ্য ছাত্ৰীসকলক প্ৰপত্ৰ বিতৰণৰ জৰিয়তে এই আঁচনিৰ শুভাৰম্ভ কৰা হ'ব। আঁচনিখনে যাতে সৰ্বাধিক সংখ্যক ছাত্ৰীক উপকৃত কৰিব পাৰে, তাৰবাবে ইয়াৰ স্বচ্ছ আৰু নিয়াৰিকৈ ৰূপায়ণ সুনিশ্চিত কৰিবলৈ মুখ্যমন্ত্ৰীয়ে জিলা আয়ুক্ত আৰু শিক্ষানুষ্ঠানৰ অধ্যক্ষসকলক নিৰ্দেশ দিয়ে। এই কল্যাণমূলক আঁচনিখনে ৰাজ্যৰ প্ৰতিগৰাকী ছাত্ৰীৰ সপোন পূৰণত সহায় কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। তেওঁ জিলা আয়ুক্ত আৰু শিক্ষা বিভাগক নিযুত মইনা আঁচনিখনক শিক্ষাৰ ক্ষেত্ৰত সৰ্বাংগীন আৰু পৰিৱৰ্তনশীল প্ৰশাসন ব্যৱস্থাৰ আদৰ্শ হিচাপে গঢ়ি তুলিবলৈও নিৰ্দেশ দিছে। তেওঁ কয়, যে নিযুত মইনাৰ দ্বিতীয় সংস্কৰণত তেজপুৰ বিশ্ববিদ্যালয়, অসম বিশ্ববিদ্যালয়কে ধৰি কেন্দ্ৰীয় বিশ্ববিদ্যালয়ত অধ্যয়নৰত ৰাজ্যৰ ছাত্ৰীসকলকো সামৰি লোৱা হ'ব।

000000

কেন্দ্ৰীয় চৰকাৰে মেঘালয়ৰ শ্বিলঙৰ সমীপৰ মাওলিং খুং আৰু শিলচৰৰ সমীপৰ পঞ্চগ্ৰাম গ্ৰীনফিল্ড উচ্চ গতিসম্পন্ন প্ৰস্তাৱিত কৰিড'ৰৰ কাম ২০২৯-৩০ বিত্তীয় বৰ্ষৰ ভিতৰত সম্পূৰ্ণ কৰাৰ লক্ষ্য লৈছে। এই প্ৰকল্পৰ বাবে আনুমানিক ২২ হাজাৰ ৮৬৪ কোটি টকা ব্যয় কৰা হ'ব। কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে কালি ৰাজ্যসভাত এই কথা প্ৰকাশ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে শ্বিলঙৰ পৰা শিলচৰ সংযোগী এই ঘাইপথ প্ৰকল্পটো হৈছে ১৬৮ কিলোমিটাৰ দৈৰ্ঘ্যৰ এটা চাৰিলেনযুক্ত উচ্চ গতিসম্পন্ন গ্ৰীনফিল্ড কৰিড'ৰ প্ৰকল্প। মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে এই প্ৰকল্পৰ কাম সম্পূৰ্ণ হৈ উঠিলে পথছোৱাৰে যাতায়াতৰ সময় পূৰ্বৰ ৮ ঘণ্টাৰ পৰা প্ৰায় ৪ ঘণ্টালৈ হ্ৰাস পাব বুলি আশা কৰা হৈছে। ইয়াৰ লগতে প্ৰকল্প ৰূপায়ণৰ সময়ছোৱাত অঞ্চলটোৰ জনসাধাৰণৰ বাবে প্ৰত্যক্ষ আৰু পৰোক্ষ নিয়োগৰ সুবিধাও সৃষ্টি হ'ব বুলি মন্ত্ৰীগৰাকীয়ে লগতে প্ৰকাশ কৰে।

000000

১৯৬২ চনৰ চীনৰ সৈতে যুদ্ধৰ পাছৰেপৰা চীনে অৰুণাচল প্ৰদেশত প্ৰৱেশ কৰিবলৈ অথবা ভূমি দখল কৰিবলৈ সমৰ্থ হোৱা নাই বুলি সংসদীয় পৰিক্ৰমা মন্ত্ৰী আৰু পশ্চিম অৰুণাচল সমষ্টিৰ সাংসদ কিৰেণ ৰিজিজুৱে কালি লোকসভাত প্ৰকাশ কৰে। অপাৰেচন সিন্দূৰ সন্দৰ্ভত হোৱা আলোচনাত সমাজবাদী পাৰ্টীৰ মুৰববী অখিলেশ যাদৱে কৰা মন্তব্যৰ প্ৰত্যুত্তৰত শ্ৰী ৰিজিজুৱে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে এই যুদ্ধৰ পাছৰেপৰা চীনে কোনো ধৰণে অৰুণাচল প্ৰদেশ নাইবা অসমৰ ভূমি দখল কৰিবলৈ সমৰ্থ হোৱা নাই।

## ৰাইট

০০০০০০

অসম চৰকাৰৰ সহযোগত যোৰহাট কৃষি বিশ্ববিদ্যালয়ে উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথমটো জিন বেংক প্ৰতিষ্ঠা কৰিছে। এই বেংকত ৭ হাজাৰ ধানৰ সঁচ সংৰক্ষণ কৰা হ'ব। বিশ্ববিদ্যালখনে যোৱা ৫ বছৰত ধান, সৰিয়হ, তিল, বেঙেনা, মাহ জাতীয় শস্য, কণী ধানকে ধৰি ২৪ বিধ শস্যৰ সঁচ উদ্ভাৱন কৰিছে। দেশৰ বিভিন্ন ৰাজ্যত উদ্ভাৱিত কেইবাবিধো শস্যৰ সঁচো বিশ্ববিদ্যালয়খনে কৃষক ৰাইজৰ সুবিধাৰ্থে অনুমোদন জনাইছে। কালি এখন সংবাদমেলত বিশ্ববিদ্যালয়খনৰ কৃষি, গৱেষণা সঞ্চালক ডঃ সঞ্জয় কুমাৰ চেতিয়াই এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে যোৱা কেইবছৰমানৰ ভিতৰত বিশ্ববিদ্যালয়খনৰ উদ্যোগত জহা চাউল, কাজি নেমু, গামোচা, জুদিমা আদিয়ে ভৌগোলিক সূচ্যাংক লাভ কৰিবলৈ সমৰ্থ হৈছে। তদুপৰি অৰুণাচল প্ৰদেশৰ মনপা গোমধান, কাৰ্বি আৰু দেউৰীসকলৰ পৰম্পৰাগত সাজ-পোছাক তথা অলংকাৰৰ ভৌগোলিক সূচ্যাংক অৰ্থাৎ জি আই টেগ আহৰণৰ প্ৰচেষ্টাও অব্যাহত আছে বুলি তেওঁ প্ৰকাশ কৰে। যোৱা ৫ বছৰত বিশ্ববিদ্যালয়খনে চাহপাত শুকুওৱা যন্ত্ৰ, উপকাৰী ভেঁকুৰ কৰ্ষণৰ সংৰক্ষণ পদ্ধতি আৰু তৰলীকৃত জৈৱিক কীটনাশক সহ চাৰিটা প্ৰযুক্তিৰে পেটেণ্ট লাভ কৰিবলৈও সমৰ্থ হৈছে। অন্য ১১ বিধ প্ৰযুক্তি পেটেণ্টৰ বাবে আবেদন কৰা হৈছে বুলি সঞ্চালকগৰাকীয়ে কয়। কৃষক সমাজৰ সুবিধাৰ্থে বিশ্ববিদ্যালয়খনে যোৱা ৫ বছৰত ৫০ টা প্ৰযুক্তি কৌশল বাণিজ্যিকীকৰণৰ প্ৰচেষ্টাও গ্ৰহণ কৰিছে। বিশ্ববিদ্যালয়খনে উদ্ভাৱন কৰা লাৱণ্য নামৰ ধানৰ সঁচবিধক ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰে ১৫ বছৰৰ বাবে পঞ্জীয়ন কৰিছে আৰু ইয়াৰ ফলত সঁচবিধৰ বাণিজ্যিকীকৰণ সম্ভৱ হ'ব বুলি সঞ্চালকগৰাকীয়ে কয়। কৃষি বিশ্ববিদ্যালয়খনে এই বছৰ শস্য ৰক্ষক নামৰ এটা ম'বাইল এপ মুকলি কৰিছে।

০০০০০০

গুৱাহাটীৰ ওদালবাক্ৰাত যোৱা ২৫ জুলাইত সংঘটিত পথ দুৰ্ঘটনাত আহত ছামিউল হক নামৰ ছাত্ৰজনৰ মৃত্যু হোৱা ঘটনা সন্দৰ্ভত গ্ৰেপ্তাৰ হোৱা অভিনেত্ৰী নন্দিনী কাশ্যপক দুদিনৰ আৰক্ষী জিম্মালৈ প্ৰেৰণ কৰা হৈছে। তেওঁক কালি বিয়লি গুৱাহাটীৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰোৱা হয়। অসম আৰক্ষীয়ে তেওঁক ৫ দিনৰ জিম্মাত বিচাৰিছিল যদিও আদালতে দুদিনৰ জিম্মালৈ প্ৰেৰণ কৰে।

০০০০০০

বিদ্যালয় শিক্ষা বিভাগৰ অনুমোদন নোপোৱা ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে এতিয়াৰে পৰা কোনো চৰকাৰী বিদ্যালয়ৰ নৱম শ্ৰেণীত নামভৰ্তি কৰিব বিচাৰিলে নিয়মীয়া শিক্ষাৰ্থীৰ দৰে শ্ৰেণীত উপস্থিত থাকিব লাগিব। তেনে শিক্ষাৰ্থীয়ে তেতিয়াহে ৰাজ্যিক শিক্ষা পৰিষদে অনুষ্ঠিত কৰা পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ অনুমতি লাভ কৰিব। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰ আৰু ন্যায়াধীশ অৰুণ দেৱচৌধুৰীৰ খণ্ড বিচাৰপীঠে কালি এই নিৰ্দেশনা জাৰি কৰে। উল্লেখযোগ্য যে শিক্ষা বিভাগৰ অনুমোদন নোপোৱা বহু ব্যক্তিগত খণ্ডৰ শিক্ষাৰ্থীয়ে নৱম শ্ৰেণীত কোনো চৰকাৰী বিদ্যালয়ৰ অধীনত নাম পঞ্জীয়ন কৰি পৰৱৰ্তী সময়ত প্ৰৱেশিকা পৰীক্ষাত অৱতীৰ্ণ হয়। ইয়াৰ ফলত যথেষ্ট বেমেজালিৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত বিষয়টো সন্দৰ্ভত কালি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ শুনানিত অসম চৰকাৰৰ মহাধিবক্তা দেৱজিত শইকীয়াই ৰাজ্যৰ শিক্ষা বিভাগৰ এই সিদ্ধান্তৰ বিষয়ে অৱগত কৰে।

০০০০০০

পদ্ম বঁটাসমূহৰ বাবে মনোনয়ন দাখিলৰ অন্তিম সময়সীমা অহা ১৫ আগষ্টলৈ বৃদ্ধি কৰা হৈছে। ৰাষ্ট্ৰীয় পুৰস্কাৰ প'ৰ্টেলৰ জৰিয়তে অনলাইন ব্যৱস্থাৰেহে এই মনোনয়নসমূহ গ্ৰহণ কৰা হ'ব। অহা বছৰৰ গণৰাজ্য দিৱসৰ সৈতে সংগতি ৰাখি এই পদ্ম বঁটাসমূহ ঘোষণা কৰা হ'ব। পদ্ম বিভূষণ, পদ্মভূষণ আৰু পদ্মশ্ৰী আদি হৈছে দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান।

oooooo

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ চলিত টেষ্ট শৃংখলাৰ পঞ্চম তথা অন্তিমখন টেষ্ট আজি অ'ভেলত আৰম্ভ হ'ব। অ'ল্ড ট্ৰেফ'ৰ্ডত অনুষ্ঠিত চতুৰ্থ টেষ্টৰ দ্বিতীয় ইনিংছত দৃঢ়তাপূৰ্ণ বেটিঙেৰে খেলখন ড্ৰ' কৰিবলৈ সমৰ্থ হোৱাৰ পিছত ভাৰতৰ মনোবল উন্নত হৈ আছে। এণ্ডাৰ্ছন-টেণ্ডুলকাৰ শৃংখলাত এতিয়ালৈকে ইংলেণ্ডে ২-১ ৰ অগ্ৰগতি লাভ কৰি আছে। পঞ্চম টেষ্টৰ বাবে ভাৰতীয় দলত আঘাতপ্ৰাপ্ত ঋষভ পণ্টৰ ঠাইত ধ্ৰুৱ জুৰেলক অন্তৰ্ভুক্ত কৰা হৈছে। কুলদীপ যাদৱকো মূল একাদশত অন্তৰ্ভুক্ত কৰাৰ সম্ভাৱনা আছে।

আনহাতে, ইংলেণ্ডৰ অধিনায়ক বেন ষ্টোকছে আঘাতৰ বাবে পঞ্চম টেষ্টত অংশগ্ৰহণ কৰিব নোৱাৰিব। তেওঁৰ ঠাইত অ'লি পোপে ইংলেণ্ড দলটোৰ নেতৃত্ব দিব।

oooooo

ভাৰতক ২৫ শতাংশ শুল্কৰ বোজা আমেৰিকা যুক্তৰাষ্ট্ৰৰ, উৰিয়ামঘাটৰ ৰেংমা বনাঞ্চলত উচ্ছেদ অভিযান অব্যাহত, ৰাছিয়াত ৮ দশমিক ৮ প্ৰাবল্যৰ ভূমিকম্প আদি বিভিন্ন বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত কাকতসমূহে ভিন ভিন বাতৰি মুখ্য বাতৰিৰূপে প্ৰকাশ কৰিছে।

ইউক্ৰেইন আক্ৰমণকাৰী ৰাছিয়াৰ পৰা খাৰুৱা তেল ক্ৰয় কৰাৰ শাস্তি হিচাপে আমেৰিকাই ভাৰতীয় সামগ্ৰীৰ ওপৰত পহিলা আগষ্টৰ পৰা অতিৰিক্ত ২৫ শতাংশ শুল্ক আৰোপ কৰিছে বুলি মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ঘোষণা কৰিছে। এই বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে প্ৰধান বাতৰি হিচাপে প্ৰকাশ কৰিছে। একেটা বাতৰিকে দি আছাম ট্ৰিবিউন, দৈনিক অগ্ৰদূত আদিৰ লগতে প্ৰায় আটাইকেইখন কাকতে সবিস্তাৰে প্ৰকাশ কৰিছে।

যোৰহাটৰ ম'হবন্ধাত এগৰাকী বৃদ্ধৰ হত্যাৰ প্ৰতিবাদত দ্বিতীয় দিনৰ বাবেও অঞ্চলটোত উত্তেজনা অব্যাহত থকাৰ লগতে প্ৰতিবাদকাৰীৰ শিলাবৰ্ষণত দুজন আৰক্ষীৰ লোক আহত হোৱাৰ বাতৰি প্ৰকাশ কৰিছে আমাৰ অসম কাকতখনে।

সীমান্তৰ বনাঞ্চল দখলমুক্ত কৰিবলৈ উত্তৰ-পূৰ্বৰ চাৰিখন ৰাজ্যক গুৱাহাটী উচ্চ ন্যায়ালয়ে দিয়া নিৰ্দেশৰ বাতৰিটোক দৈনিক জনমভূমি কাকতখনে অন্যতম মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

ৰাছিয়াৰ পূব প্ৰান্তৰ কামশ্বট্‌কা উপদ্বীপৰ সমীপত কালি হোৱা ৮ দশমিক ৮ প্ৰাবল্যৰ ভূমিকম্পৰ পাছত সমগ্ৰ প্ৰশান্ত মহাসাগৰীয় উপকূলত ছুনামীৰ সতৰ্কতা জাৰি কৰা হৈছে। এই বাতৰিটো দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। একেটা বাতৰিকে অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অহা ১০ আগষ্টৰ পৰা ১৪ আগষ্টলৈ বিজেপিয়ে দেশৰ প্ৰান্তে প্ৰান্তে ত্ৰিৰংগ যাত্ৰাৰ আয়োজন কৰাৰ বাতৰি নিয়মীয়া বাৰ্তা কাকতে প্ৰকাশ কৰিছে।

ৰাজ্য চৰকাৰে খৰাংসদৃশ পৰিস্থিতিৰ সৃষ্টি হোৱা জিলাসমূহৰ সংশ্লিষ্ট বিভাগৰ সৈতে সমন্বয় বৈঠক অনুষ্ঠিত কৰিবলৈ জিলা আয়ুক্তসকলক নিৰ্দেশ দিয়াৰ এটা বাতৰি দা ছেণ্টিনেল কাকতে সবিস্তাৰে প্ৰকাশ কৰিছে।

জনজাতিকৰণকে ধৰি কেইবাটাও দাবীৰে টাই-আহোম ছাত্ৰ সন্থাই কালি গুৱাহাটীত প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰাৰ বাতৰি দৈনিক অগ্ৰদূত কাকতে প্ৰকাশ কৰিছে।

আহক আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৭ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত